# কবিতা
# বৰগীত - মাধৱদেৱ

---

## অতি চমু প্ৰশ্নৰ উত্তৰ ( মূলাংক -১ )

প্ৰশ্ন ১.মাধৱ দেৱৰ জন্ম কত হৈছিল ?

উত্তৰঃ উত্তৰ লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেটেকুপুখুৰী নামৰ ঠাইত ।

প্ৰশ্ন ২. শংকৰদেৱ আৰু মাধৱদেৱৰ প্ৰথম সাক্ষাতক কি বুলি অভিহিত কৰা হয় ?

উত্তৰঃ মণিকাঞ্চন সংযোগ বুলি অভিহিত কৰা হয় ।

প্ৰশ্ন ৩. কোনখন গ্ৰন্থক মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয় ?

উত্তৰঃ মাধৱদেৱ বিৰচিত নামঘোষা ' গ্ৰন্থক ।

প্ৰশ্ন ৪. মাধৱদেৱে কিমানটা বৰগীত ৰচনা কৰিছিল ?

উত্তৰঃ ১৫৭ টা ।

প্ৰশ্ন ৫. “ উঠৰে উঠ বাপু গোপালহে ” বৰগীতটো কি ৰাগত বন্ধা ?

উত্তৰঃ ‘কৌ’ৰাগত বন্ধা ।

## চমু প্ৰশ্নৰ উত্তৰ (মূলাংক -২/৩ )

প্ৰশ্ন ১. বৰগীত কাক বোলে ? বৰগীতৰ বিষয়বস্তুক কেইটা ভাগত ভগাব পাৰি ? ভাগসমূহ উল্লেখ কৰা ।

উত্তৰঃ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা ৰচিত আধ্যাত্মিক ভাবসম্পন্ন আৰু ৰাগ ৰাগিণীযুক্ত গীতসমূহক বৰগীত বুলি কোৱা হৈছে । বৰগীতৰ বিষয়বস্তু ছয়টা ভাগত ভগাব পাৰি । ভাগসমূহ হ'ল লীলা , বিহ , বিৰক্তি , পৰমাৰ্থ , চোৰ , চাতুৰি ।

প্ৰশ্ন ২. ড ° বাণীকান্ত কাকতিয়ে বৰগীতক কিয় Noble Numbers বুলি কৈছে ?

উত্তৰঃ  বৰগীতৰ ৰাগ , তাল , সাংগীতিক ভাষা আদিৰ অন্তৰালত গভীৰ আধ্যাত্মিক ভাবৰ প্ৰবাহ লক্ষ্য কৰি ড ° বাণীকান্ত কাকতিয়ে বৰগীতক Noble Numbers- বুলি কৈছে ।

প্ৰশ্ন ৩. মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্য কি ?

উত্তৰঃ মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য হ'ল বাৎসল্য ভাব প্ৰকাশ । তেওঁ সমগ্ৰ বৰগীতত শিশু শ্ৰীকৃষ্ণই প্ৰাধান্য লাভ কৰিছে । সেই কাৰণেই ড ° বাণীকান্ত কাকতিয়ে “ বাসল্য । প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বহ বুলি কৈছে । ভাষাৰ ফালৰ পৰাও মাধৱদেৱৰ বৰগীতৰ ভীষা জনজীৱনৰ ভাষাৰ বেছি ওচৰ চপা । মাধৱদেৱৰ বৰগীতত ভগৱান শ্ৰীকৃষ্ণৰ শিশুকালৰ শানান ক্ৰিয়া - কলাপৰ মনোমুগ্ধ বৰ্ণনাই বৰগীতসমূহক এক বিশেষত্ব প্ৰদান কৰিছে ।

প্ৰশ্ন ৪. “ সব পুৰুষৰ শিৰৰ ভূষণ ” বুলি কোনে , কাক , কিয় কৈছে ?

উত্তৰঃ “ সৰ্বপুৰুষৰ শিৰৰ ভূষণ ” বুলি পৰমভক্ত মাধৱদেৱে শিশু কৃষ্ণক কৈছে । ভগৱান কৃষ্ণই মানৱৰূপে দৈৱকীৰ গৰ্ভত জন্ম লৈ

যশোদাৰ ঘৰত লালিত - পালিত হৈ নানান ক্রিয়া লিপেৰে তেওঁ মহিমা প্ৰকাশ কৰিছে । তেৱেঁই ঈশ্বৰ , ভগৱান , সকলোৰে আদি - অন্তক শ্রেষ্ঠ পুৰুষ । সেই কাৰণেই শিশু কৃষ্ণ হলেও সকলো পুৰুষৰে অৰ্থাৎ সকলো লোকৰে শিৰৰ অলংকাৰ স্বৰূপ।

প্ৰশ্ন ৫.‘সিদ্ধ মুনিগণে চিন্তিয়া নপাৱে

সো হৰি যশোৱা কোলে - সিদ্ধ মণিগণে নোপোৱা হৰিক যশোদাই কিহৰ বলত পুত্ৰৰূপে পালে বুজাই লিখা ।

উত্তৰঃ সিদ্ধ মুণি, ঋষিসকলে বহু ধ্যান, বহু সাধনাৰ পাছতো যিজন ভগবান কৃষ্ণক বিচাৰি নাপায়, প্ৰেম ভক্তিৰ বলত যশোদাই সেইজনকে পুত্ৰৰূপে লাভ কৰিছে । মাধৱদেৱে ইয়াৰ কাৰণ হিচাপে ভক্তিৰ প্ৰভাৱ বুলি উল্লেখ কৰিছে ।

প্ৰশ্ন ৬. মাধৱদেৱৰ বৰগীতক ভাৰতীয় আন কোন দুগৰাকী কবিৰ গীতৰ লগত কৰিব পাৰি ?

উত্তৰঃ মহাৰাষ্ট্ৰৰ তুকাৰাম আৰু উত্তৰ ভাৰতৰ কবি সুৰদাসৰ লগত তুলনা কৰিব পাৰি ।

## দীঘলীয়া প্ৰশ্নৰ উত্তৰ (মূল্যাংক ৪/৫

প্ৰশ্ন ১. মাধৱদেৱৰ ‘উঠৰে উঠ বাপু গোপাল হে’ বৰগীতটোৰ মূল কথাখিনি আলোচনা কৰা ।

উত্তৰঃ মাধৱদেৱৰ ‘উঠৰে উঠ বাপু গোপাল হে’ বৰগীতটি শ্ৰী কৃষ্ণক মাতৃ যশোদাই কেনেদৰে টোপনিৰ পৰা জগাইছে সেই কথা সৰল আৰু সুন্দৰ ৰূপত পৰিস্ফুট হৈছে ।

যশোদাই শিশু কৃষ্ণক বাপু, কমল-নয়ন, প্ৰাণধন আদিৰে সম্বোধন কৰি টোপনিৰ পৰা জগাইছে । সকলো পুৰুষৰ শিৰৰ ভূষণ হ’ল কৃষ্ণ ।

যশোদাই ‘মোৰ পুত্ৰ’ বুলি কৃষ্ণক বুকুত বান্ধি লৈছে, কোলাত লৈ বাৰে বাৰে চুমা খাইছে আৰু আনন্দত নিমৰ্জিত হৈছে।

মাধৱদেৱৰ এইদৰে মাতৃ-পুত্ৰৰ মধুৰ সম্পৰ্কৰ বৰ্ণনা কৰি কৃষ্ণৰ ঐশ্বৰিক ৰূপ আৰু মাহাত্ম্যৰ কথা বৰ্ণনা কৰিছে। সিদ্ধ মুনি আৰু ঋষিসকলে বহু ধ্যান আৰু বহু সাধনা কৰিও যিজনা ভগৱানক বিচাৰি নাপায়, সেইজন ভগবানক ভক্তিৰ বলত যশোদাই পুত্ৰৰূপে লাভ কৰি স্নেহ কৰিব পাৰিছে। ইয়াৰ জৰিয়তে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি ভগবান যে ভক্তৰ অধীন সেই কথা হৃদয়স্পৰ্শী ৰূপত তুলি ধৰিছে।

প্ৰশ্ন ২.বৰগীতটোৰ মাজেৰে যশোদাৰ মাতৃস্নেহ কিদৰে প্ৰকাশিত হৈছে বুজাই লিখা।

উত্তৰঃ বৰগীতটিৰ মাজেৰে মাতৃ যশোদাৰ মাতৃস্নেহ সুন্দৰ ৰূপত ফুটি উঠিছে। পুৱা শুই উঠি মাতৃ যশোদাই পুত্ৰ শিশু কৃষ্ণক টোপনিৰ পৰা জগাইছে। যশোদাই কৃষ্ণক মৰমতে বাপু, কমল-নয়ন, প্ৰাণধন, গোবিন্দ আদি নামেৰে সম্বোধন কৰিছে। সকলো পুৰুষৰ শিৰৰ ভূষণ কৃষ্ণক বুকুত বান্ধি লৈছে আৰু কোলাত তুলি লৈ ঘনে ঘনে চুমা খাইছে। সিদ্ধ মুনি, ঋষিমুনি সকলে বহু ধ্যান, বহু সাধনাৰ পাছতো যিজন ভগৱান কৃষ্ণক বিচাৰি নাপায়, সেইজন পৰম পুৰুষক পুত্ৰৰূপে পাই যশোদাই হিয়া উজাৰি মৰম কৰিছে।

এনেদৰে মাতৃ যশোদাই ত্ৰিজগতৰ পতি শ্ৰী কৃষ্ণক মাতৃস্নেহেৰে আকোৱালী লৈছে।

প্ৰশ্ন ৩.বৰগীতটোৰ মাজেৰে শ্ৰী কৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক ৰূপ কিদৰে পৰিস্ফুট হৈছে আলোচনা কৰা।

উত্তৰঃ মাধৱদেৱৰ দ্বাৰা বিৰচিত বৰগীতটিৰ মাধ্যমেৰে শ্ৰী কৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক ৰূপটো সুন্দৰভাৱে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। শ্ৰী কৃষ্ণৰ সান্নিধ্য লাভ কৰিবলৈ সিদ্ধ মুনি, ঋষিসকলে বহু ধ্যান, বহু

সাধনা কৰিছে। তাৰ পাছতো যিজন ভগৱান কৃষ্ণক বিচাৰি নাপায়, সেইজনক পৰম ভক্তিৰ বলত যশোদাই পুত্ররূপে লাভ কৰি কোলাত লৈ মৰম কৰিছে। ইয়াৰ জৰিয়তে ভক্তিৰ শ্রেষ্ঠৰ প্রতিপন্ন কৰি ভগবান যে ভক্তৰ অধীন সেই কথা হৃদয়স্পর্শী ৰূপত তুলি ধৰিছে।

ইয়াৰ জৰিয়তে, ভক্তিৰ শ্রেষ্ঠৰ প্রতিপন্ন কৰি ভগবান যে ভক্তৰ অধীন সেই কথা হৃদয়স্পর্শী ৰূপত তুলি ধৰিছে। এইদৰে ইফালে পুত্ৰৰূপী মানৱীয় ৰূপ আৰু সিদ্ধ মুনি আৰু ঋষিসকলৰ উপমাৰ মাধ্যমেৰে ঐশ্বৰিক ৰূপ পৰিস্ফুট হৈছে।

প্রশ্ন ৪.বৰগীতটিৰ মাধ্যমেৰে ভক্তিৰ প্রকাশ কিদৰে ঘটিছে আলোচনা কৰা।

উত্তৰঃ শ্রী শ্রী মাধৱদেৱৰ দ্বাৰা বিৰচিত ‘উঠৰে উঠ বাপু গোপাল হে’ নামৰ কবিতাটোৰ জৰিয়তে ভক্তিৰ প্রকাশ হৃদয়স্পর্শী ৰূপত ফুটি উঠিছে।

বৰগীতটিৰ মাধ্যমেৰে ভক্তিৰ প্রকাশ বর্ণনা কৰিবলৈ যাওঁতে মাধৱদেৱে মাতৃ পুত্ৰৰ মধুৰ সম্পৰ্কৰ ৰূপ বর্ণনা কৰাৰ লগতে কৃষ্ণৰ ঐশ্বৰিক ৰূপ আৰু মাহাত্ম্যৰ কথাও প্রকাশ কৰিছে। কাৰণ, যুগে যুগে সিদ্ধমুনি, ঋষিমুনি আদিসবে বহু ধ্যান আৰু বহু সাধনাৰ পাছতো ভগবান কৃষ্ণক বিচাৰি নাপায়। সেইজনাকে, পৰম ভক্তিৰ বলত যশোদাই পুত্ৰৰূপে লাভ কৰিছে। ইয়াৰ জৰিয়তে ভক্তিৰ শ্রেষ্ঠত্ব প্রতিপন্ন কৰি ভগবান যে ভক্তৰ অধীন সেই কথা হৃদয়স্পর্শী ৰূপত তুলি ধৰিছে।

প্রশ্ন ৫. প্রসংগ সংগতি দর্শাই ব্যাখ্যা কৰা।

( ক ) 'ত্রিজগত পতি ভকতি মিলিল

মুৰুখ মাধৱে বোলে।

উত্তৰঃ প্ৰশ্নোদ্ধৃত ব্যাখ্যা ফাকি শ্ৰী শ্ৰী মাধৱদেৱৰ দ্বাৰা বিৰচিত বৰগীত 'উঠৰে উঠ বাপু গোপাল হে'- ৰ পৰা তুলি অনা হৈছে ।

বৰগীতটোৰ জৰিয়তে 'ত্ৰিজগতৰ যি অধিকাৰী ভগবান, শ্ৰী কৃষ্ণৰ মাহাত্ম্য আৰু ঐশ্বৰিক মহিমাৰ লগতে মাধৱদেৱে নিজকে মূৰুখ বুলি প্ৰসংগ ক্ৰমে উল্লেখ কৰিছে ।

এই কবিতাফাকিৰ জৰিয়তে মাধৱদেৱে ইয়াকে বুজাব বিচাৰিছে যে সিদ্ধ মুনি, ঋষিসকলে বহু ধ্যান, বহু সাধনাৰ পাছতো শ্ৰী কৃষ্ণক বিচাৰি নাপায় । আনহাতে, যশোদাই সেইজন শ্ৰীকৃষ্ণক পৰম ভক্তিৰ বলত পুত্ৰৰূপে লাভ কৰিছে আৰু কোলাত লৈ বুকুত বান্ধি মৰম কৰিবলৈ সৌভাগ্য হৈছে । মাধৱদেৱে উল্লেখ কৰিছে যে মহা মহা সিদ্ধ মুনি আৰু ঋষিবৃন্দই যাক ধ্যান-ধাৰণাৰ বলতো লাভ কৰিব পৰা নাই আৰু লীলা-মাহাত্ম্য বুজিব পৰা নাই । সেই সন্দৰ্ভত আৰু প্ৰসংগত মাধৱে নিজকে 'মুৰুখ' বুলি প্ৰতিপন্ন কৰি তেওঁ কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰাত নিজকে হেয় প্ৰতিপন্ন কৰিছে । ।

প্ৰশ্ন ৬.( খ ) উঠৰে বাপু গোপাল হে নিশি পৰভাত ভৈল ।

কমল নয়ন , বুলি ঘনে ঘন , যশোৱা ডাকিতে লৈল ।

উত্তৰঃ উদ্ধৃত বৰগীতৰ পদফাকি মাধৱদেৱ বিৰচিত " উঠৰে উঠ বাপু গোপালহে বৰগীতটিৰ অন্তৰ্গত ।

মহাপুৰুষ মাধৱদেৱৰ বৰগীত ' উঠৰে উঠ বাপু গোপালহে'ৰ জৰিয়তে যশোদাৰ মাতৃ স্নেহ সুন্দৰভাৱে প্ৰকাশ পাইছে । শিশু সকল ৰাতিপুৱা দেৰীলৈকে শুই থাকিলে সাধাৰণতে চেনেহী মাতৃসকলে শিশুটিক জগালে সি ওৰা অৰ্থাৎ ওজৰ পাতিব পাৰে বুলি ভাবি অতি মৰমেৰে সোণটি , বাপু , মইনাটো ইত্যাদি নানান মৰমৰ সম্বোধনৰে টোপনিৰ পৰা জগাই , কোলাত লৈ আনে আৰু চকু - মুখ ধুৱাই কিবা খাবলৈ দিয়ে । এয়া সন্তান প্ৰতি মাতৃৰ আকুল স্নেহ । মাতৃৰ সেই অকৃত্ৰিম স্নেহ এই বৰগীতটিতো

প্ৰকাশ পাইছে । যশোদাই শুই থকা পুত্ৰ কৃষ্ণক শুই উঠিবলৈ মৰমেৰে বাপু , কমলনয়ন , প্ৰাণধন আদি বুলি সম্বোধন কৰি জগাইছে ।